DAILY ASSAM



E9C4F2

গ্ধ, ন্ধ, স্ত্র, র্ত্য, ত্ন

# ময়ূৰ পক্ষীৰ জন্ম কাহিনী

স্বৰ্গৰ দেৱতাসকলৰ ৰজা ইন্দ্ৰ। দেৱৰাজ ইন্দ্ৰৰ ৰাজ-সভাত কেইবাগৰাকী নৰ্তকী আছিল। তাৰে ভিতৰত এগৰাকী হ'ল- বালিমাহী চৰাই। মৰতৰ বতৰা ল'বলৈ ইন্দ্ৰই বালিমাহীক প্ৰতিবছৰে একোবাৰ পৃথিৱীলৈ পঠিয়ায়। বালিমাহী পৃথিৱীলৈ আহে আৰু উভতি গৈ মৰ্ত্যৰ সৌন্দৰ্যৰ বিষয়ে দেৱৰাজৰ সভাত বিৱৰি কয়।



এদিনাখন বালিমাহীয়ে পৃথিৱীত দেখি অহা সৰিয়হ ফুলৰ সৌন্দৰ্যৰ কথা বৰ্ণাই আছিল। সেইসময়ত দেৱৰাজৰ জীয়াৰী দেৱকন্যাও ৰাজ-সভাত উপস্থিত আছিল। বালিমাহীৰ মুখে মৰ্ত্যৰ ৰং-ৰূপৰ বৰ্ণনা শুনি সেই ৰূপ চাবলৈ দেৱকন্যাৰ হেঁপাহ জাগিল।

দেৱকন্যাই পিতাকৰ পৰা মৰ্ত্যলৈ যাবলৈ অনুমতি বিচাৰিলে। জীয়েকৰ কথা শুনি দেৱৰাজ বৰ চিন্তাত পৰিল ; কিন্তু দেৱকন্যাই নেৰা-নেপেৰাকৈ লাগি থকাত অৱশেষত অনুমতি দিলে। দেৱৰাজে বালিমাহীক মাতি দেৱকন্যাক লগত লৈ মৰ্ত্যলৈ যাবলৈ আদেশ দিলে।



তেতিয়া হেমন্ত কাল। পৃথিৱীত কুঁৱলীৰ পাতল আৱৰণ। আটক-ধুনীয়া বস্ত্ৰ পিন্ধি সাজি-কাচি দেৱকন্যা মৰ্ত্যলৈ যাবলৈ ওলাল। তেওঁ পৃথিৱীৰ সৌন্দৰ্য কাপোৰত বুটা বাছি অনাৰ কথা ভাবিলে। সেয়েহে লগত এখন তাঁত-শালো ল'লে। বালিমাহীয়ে অতি যত্নৰে তাঁত-শালখন আৰু দেৱকন্যাক পৃথিৱীলৈ আনিলে।

DAILY ASSAM

পৃথিৱীৰ ৰূপত দেৱকন্যা মুগ্ধ হ'ল। সৰিয়হ এডৰাই তেওঁক বিমুগ্ধ কৰিলে। দেৱকন্যাই বালিমাহীৰ লগত সৰিয়হডৰাৰ মাজে মাজে আৰু নৈৰ পাৰে পাৰে নাচি নাচি জঁপিয়াই ফুৰিবলৈ ধৰিলে। কিছুদিন এনেদৰে পাৰ হৈ গ'ল। বালিমাহীয়ে দেৱকন্যাক সৰগলৈ পুনৰ উভতি যোৱাৰ কথা মনত পেলাই দিলে। কিন্তু দেৱকন্যাই মৰ্ত্যৰ ফুলৰ চানেকি তাঁতত বাছিবলৈ আৰু কিছুদিন থাকিবলৈ মন কৰিলে। বালিমাহী অকলেই সৰগলৈ গুচি গ'ল। মৰ্ত্যত ঘূৰি ফুৰোঁতে দেৱকন্যাই নানা ফলৰ লগতে এদিন ধুঁতুৰা গছৰ গুটিও খালে। ফলত তেওঁ সৰগৰ কথা পাহৰিবলৈ ধৰিলে।

এনেকৈ আৰু কিছুদিন পাৰ হ'ল। লাহে লাহে পৃথিৱীৰ ৰূপ সৌন্দৰ্যই দেৱকন্যাক আমুৱালে। এদিন পৃথিৱীলৈ অহা বালিমাহীক দেৱকন্যাই পুনৰ লগ পালে। দুয়ো সৰগলৈ যাত্ৰা কৰিলে। কিন্তু দেৱকন্যা মেঘ পাৰ হৈ সিপাৰলৈ যাব নোৱাৰি পুনৰ পৃথিৱীত পৰিলহি। বালিমাহীয়ে ইন্দ্ৰক এই দুখৰ বতৰা দিলেগৈ।

দেৱৰাজে সকলোবোৰ ঘটনা সৰগৰ পৰাই দেখি আছিল। তেওঁ ক্ষুব্ধ হ'ল। সৰগৰ পৰাই তেওঁ জীয়েকক ক'লে — "তুমি অখাদ্য বস্তু খাই ভুল কৰিলা। এতিয়া তুমি পৃথিৱীতে ময়ূৰ পখী হৈ থাকা। তোমাৰ ফুলাম কাপোৰ সাজেই ময়ূৰ পখীৰ ফুলাম পাখি হৈ জিলিকি থাকক।" এয়াই ময়ূৰ পক্ষীৰ জন্ম কাহিনী।

*(ৰংবং তেৰাঙৰ কাৰ্বি সাধুকথাৰ পুথি "অভিশপ্তা ময়ূৰী"ৰ আধাৰত সাধুটো যুগুতোৱা হৈছে।)*

## ক্ৰিয়া-কলাপ



### ক — পাঠভিত্তিক ক্ৰিয়া





**উত্তৰ দিয়া।**

(ক) স্বৰ্গৰ ৰজাজনৰ নাম কি?

(খ) তেওঁৰ ৰাজ-সভাৰ নৰ্তকী চৰাইজনীৰ নাম কি?

(গ) দেৱকন্যাই মৰ্ত্যলৈ যাওঁতে লগত কি লৈ গৈছিল?

(ঘ) দেৱকন্যাই তাঁত-শালখন কিয় নিছিল?

☞ *প্ৰথমে সাধুটো মনোগ্ৰাহীকৈ ক'ব। তাৰ পাছত আদৰ্শ পাঠদান কৰিব। শেষত ছাত্ৰ-ছাত্ৰীসকলক দফা দফাকৈ পঢ়িবলৈ দিব। নতুন যুক্তাক্ষৰ থকা শব্দ পঢ়োঁতে আৱশ্যকবোধে সহায় কৰিব।*

'ময়ূৰ পক্ষীৰ জন্ম কাহিনী' পাঠটো সহজভাৱে নিজৰ কথাৰে কোৱা।

উত্তৰ লিখা।

ক) দেৱকন্যাই পৃথিৱীত কি দেখি বিমুগ্ধ হৈছিল?

খ) তেওঁ প্ৰথম কিছুদিন তাত কেনেদৰে কটাইছিল?

গ) দেৱকন্যাই পুনৰ স্বৰ্গলৈ ঘূৰি যাবলৈ কিয় মন মেলিছিল?

ঘ) তেওঁ স্বৰ্গলৈ যাব খোজোঁতে কি হৈছিল?

ঙ) দেৱকন্যা স্বৰ্গলৈ ঘূৰি যাব নোৱৰাত দেৱৰাজে জীয়েকক কি কৈছিল?

পদুম ফুলৰ চকাত থকা শব্দবোৰ পঢ়া। ভোমোৰাৰ পাখিৰ পৰা অৰ্থ আনি শব্দৰ লগত মিলাই পদুম ফুলৰ পাহিত লিখা।




☞ প্ৰয়োজন অনুসৰি অৰ্থটো লিখিবলৈ পদুমৰ দুই/তিনিটা পাহি ব্যৱহাৰ কৰিব।




☞ নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী

DAILY ASSAM

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

পেঞ্চিলত থকা যুক্তাক্ষৰবোৰ কেনেদৰে ভাঙিছে চোৱা। এইবাৰ তলত দিয়া ধৰণেৰে পঢ়োঁ আৰু লিখোঁ আহা




| | | | |
|---|---|---|---|
| গ + ধ | গই | ধই | গ্ধ |
| ব + ধ | বই | ধই | |
| স + ত + ৰ | সই | তই স্ত তাত ৰ- কাৰে | |
| ৰ + ত + য় | ৰই | তই ৰ্ত তাত য়- কাৰে | |
| ত + ন | তই | নই | |

☞ *তেনেদৰে আন বৰ্ণৰ লগত ন যোগ হৈ হোৱা-* **গ্ন, ঘ্ন, প্ন, ম্ন, স্ন** *ভাঙি শিকাব।*

☛ *নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*

১১ কিছুমান শব্দৰ দুটাকৈ ৰূপ থাকে। তলৰ শব্দকেইটাৰ দুয়োটা ৰূপেই পাঠটোত ব্যৱহাৰ হৈছে। যেনে—


| | | |
|---|---|---|
| স্বৰ্গ | — | সৰগ |
| মৰ্ত্য | — | মৰত |
| পক্ষী | — | পখী |



১২ তলৰ শব্দবোৰৰো আন এটা ৰূপ পাঠটোত আছে। বিচাৰি উলিয়াই খালী ঠাইত লিখোঁ আহা

| | |
|---|---|
| বাৰ্তা — ☐ | ☐ — জনম |
| ☐ — যতন | পিতৃ — ☐ |
| বৎসৰ — ☐ | ☐ — নাচনী |

যুক্তাক্ষৰ গঠন কৰা।




☞ আন বৰ্ণৰ লগত ধ যুক্ত হ'লে যে তাৰ ৰূপ কিছু সলনি হয় সেই বিষয়ে ক'ব।

☞ নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী

DAILY ASSAM

## যুক্তাক্ষৰ ভাঙি লিখা।

| | | | |
|---|---|---|---|
| মুগ্ধ | গ্ধ | → | গ + ধ |
| ক্ষুব্ধ | ব্ধ | → | ☐ + ☐ |
| বুদ্ধ | দ্ধ | → | ☐ + ☐ |
| ইন্দ্ৰ | ন্দ্ৰ | → | ন + দ + ৰ |
| বস্ত্ৰ | স্ত্ৰ | → | ☐ + ☐ + ☐ |
| মৰ্ত্য | ৰ্ত্য | → | ☐ + ☐ + ☐ |

## শব্দ গঠন কৰোঁ আহা

(ক)

| | | |
|---|---|---|
| বি | মুগ্ধ | বিমুগ্ধ |
| বি | শুদ্ধ | |
| বি | দগ্ধ | |
| বি | খ্যাত | বিখ্যাত |
| বি | মোহিত | |
| বি | দূৰ | |

ওপৰৰ শব্দকেইটাৰ আগত **বি** যোগ হৈ সেইবোৰৰ অৰ্থ আৰু **অধিক গাঢ়** কৰিছে। কিন্তু তলৰ শব্দকেইটাৰ আগত **বি** যোগ দিলে **বিপৰীত অৰ্থ** প্ৰকাশ কৰিব।

(খ)

| | | |
|---|---|---|
| বি | মুখ | বিমুখ |
| বি | পক্ষ | |
| বি | তুষ্ট | |
| বি | মল | |
| বি | ফল | |
| বি | বুদ্ধি | |



## জানি থওঁ আহা

| | | |
|---|---|---|
| ধৰ্ম — ধৰম | কৰ্ম — কৰম | মিত্ৰ — মিতিৰ |
| ভক্তি — ভকতি | ভগ্নী — ভগিনী, ভনী | শস্য — শইচ |

*নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*

DAILY ASSAM

পাঠটোত থকা এক বুজোৰা শব্দবোৰ 'এ'ৰে আৰম্ভ হৈছে। তেনে শব্দবোৰ বিচাৰি উলিয়াই লিখা। যেনে— এগৰাকী (এক গৰাকী)

| | | |
|---|---|---|
| | | |

## গ — জ্ঞান সম্প্ৰসাৰণ



পঢ়োঁ আহা

বুদ্ধদেৱ শুদ্ধোধনৰ পুত্ৰ। বুদ্ধদেৱৰ আন এটা নাম সিদ্ধাৰ্থ। তেওঁ প্ৰচাৰ কৰা ধৰ্মৰ নাম বৌদ্ধধৰ্ম।



কলিংগ যুদ্ধত অনেক মানুহ মৰিছিল। তাকে দেখি মহাৰাজ অশোক ক্ষুব্ধ আৰু ব্যথিত হৈছিল।

প্ৰশ্নসমূহৰ উত্তৰ লিখোঁ আহা

১। বুদ্ধদেৱৰ দেউতাকৰ নাম কি? ____________

২। সিদ্ধাৰ্থ কাৰ নাম? ____________

৩। বুদ্ধদেৱে প্ৰচাৰ কৰা ধৰ্মটোৰ নাম কি ? ____________


৪। মহাৰাজ অশোক কিয় ক্ষুব্ধ হৈছিল? ____________

*ওপৰৰ দফা দুটাৰ পৰা শ্ৰুতলিপি দিব।*

দলত আলোচনা কৰা।

ক) ময়ূৰ চৰাইৰ বিষয়ে

খ) মাত শুনি ভাল লগা চৰাইৰ বিষয়ে





*নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*

DAILY ASSAM

## ভাবা আৰু কোৱা

- দেৱকন্যাই মৰ্ত্যৰ ৰং-ৰূপ চাবলৈ যাওঁতে লগত এখন তাঁত-শাল লৈ গৈছিল যাতে ধুনীয়া দৃশ্যবোৰ বুটা বাছি আনিব পাৰে। তোমালোকে ভ্ৰমণলৈ গ'লে লগত কি কি নিয়া আৰু কিয় নিয়া বুজাই কোৱা।
- দেৱকন্যাই অখাদ্য খোৱাৰ বাবে পুনৰ স্বৰ্গলৈ ঘূৰি যাব নোৱাৰিলে। অখাদ্য খালে আমাৰ কি কি অপকাৰ হ'ব পাৰে কোৱা।
- ঘৰচীয়া বা বনৰীয়া চৰাই-চিৰিকটিৰ প্ৰতি তুমি লোৱা যত্নৰ বিষয়ে কোৱা।




**ছবিখনত দেখা চৰাই-চিৰিকটি আৰু জীৱ-জন্তুৰ বিষয়ে আলোচনা কৰা।**

DAILY ASSAM



## ঘ— প্ৰকল্প


● ময়ূৰ চৰাই সকলো শিক্ষাৰ্থীয়ে নেদেখিবও পাৰা। সেয়েহে তলত দিয়া ছবিত ময়ূৰ চৰাই আৰু ময়ূৰ পাখিৰে তৈয়াৰ কৰিব পৰা বস্তুবোৰ চোৱা—



● ময়ূৰ চৰাইৰ পাখি, চাৰ্ট, ছবি আদি সংগ্ৰহ কৰা আৰু সেইবোৰ ভালদৰে চাই-চিতি ময়ূৰৰ বিষয়ে এটি টোকা লিখা।

● শিক্ষক বা অভিভাৱকৰ লগত ক্ষেত্ৰ অধ্যয়ন কৰি নাইবা ছবি আদিত ময়ূৰ, ধনেশ, ভাটৌ, পেলিকান আৰু অন্যান্য পক্ষী চাই সেইবোৰৰ বিষয়ে টোকা বহীত লিখা।

● তাঁত-শালৰ যতনবোৰৰ এখন তালিকা প্ৰস্তুত কৰা আৰু কোনবিধ যতনৰ কি কাম বুজাই কোৱা।



● তাঁতত বছা বুটা আৰু ফুলৰ চানেকি আঁকা।



*☞ প্ৰকল্পৰ কামত শিক্ষক আৰু অভিভাৱকসকলে আৱশ্যকীয় দিহা-পৰামৰ্শ আৰু সহযোগিতা আগবঢ়াব।*

*☞ নিৰীক্ষণৰ পাছত শিক্ষক/শিক্ষয়িত্ৰীৰ চহী*